بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ نَحْمَدُهٗ وَنُصَلِّي عَلٰى رَسُوْلِهِ الْكَرِيْمِ وَعَلٰى عَبْدِهِ الْمَسِيْحِ الْمَوْعُوْدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ২১ ডিচেম্বৰত মছজিদ বায়তুল ফতুহ মৌৰডনৰ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয, তাছমিয়া আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ)কয় যে হজৰত খলিফাতুল মছিহ তৃতীয় (ৰহঃ) ৰ পুতেক মির্জা আনিছ আহমদ চাহাবৰ যোৱা কালি ৮১ বছৰ বয়সত ৰাবোৱাত মৃত্যু হৈছে। এখেত মির্জা নাছেৰ আহমদ (খলিফাতুল মছিহ ছালিছ) ৰ ডাঙৰ লৰা আৰু হজৰত মুচলেহ মাওউদ (ৰাঃ) ৰ আটাইতকৈ ডাঙৰ নাতিয়েক আছিল। আনহাতে হজৰত নোৱাব মোবাৰকা বেগম চাহিবা আৰু নোৱাব মহম্মদ আলি খান চাহাব মৰহুমৰ নানা, নানি, আছিল। এই ফালৰ পৰা মোৰ মামাতো ভাই আছিল। এখেতে প্ৰথমে কাদিয়ানত শিক্ষা জীৱণৰ পাতনি মেলিছিল। আকৌ ৰাৱওয়াত আহি অধ্যয়ন কৰিছিল, তাৰ পিছত পাঞ্জাৱ বিশ্ববিদ্যালয়ৰ পৰা এম,এ পাছ কৰিছিল। তাৰ পিছত কিছুদিন তাতেই কলেজত অধ্যাপনা কৰিছিল। তাৰ পিছত আকৌ গৈ অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা এম,এ ডিগ্ৰি লৈছিল। ১৯৫৫ চনত তেখেত জীন্দেগী ওয়াকফে কৰিছিল আৰু ১৯৬২ চনৰ পৰা ধৰ্ম সেৱাত মনযোগ দিছিল। বৰ পৰিশ্ৰমেৰে সৈতে তেখেতে বিভিন্ন বিভাগত কাম সম্পাদন কৰিছিল। তেখেতে আনন্দৰে সৈতে বৰ দক্ষতাৰে পৰিশ্ৰম কৰিছিল। হদীছ শ্বৰীফ, দৰ্শন আৰু ইংৰাজী ব্যকৰণত বুৎপত্তি লাভ কৰিছিল আৰু বিশেষকৈ হদীছ শ্বৰীফ তেখেতৰ বেছি প্ৰিয় আছিল। নিজে আগ্ৰহ কৰি তেখেতে মহতৰম মৌলবী খুৰছিদ আহমদ চাহাব মৰহুমৰ পৰা হদীছৰ শিক্ষা লাভ কৰিছিল। তেখেতৰ নিজ ঘৰত এখন ডাঙৰ লাইব্ৰেৰী আছিল। কিতাপ পঢ়াৰ অভ্যাস আছিল তেখেতৰ । কোনো ছাত্ৰই কোনো এটা বিষয়ত বুজিবলৈ আহিলে তেখেতে সেয়া ভালদৰে বুজাই দিছিল। হদীছ শ্বৰীফৰ মূল কিতাপ সমুহ তেখেতৰ ওচৰত আছিল। বিভিন্ন পুথি ভঁৰালৰ পৰা তেখেতে কিতাপ সংগ্ৰহ কৰিছিল।

যেতিয়া ১৯৫৫ চনত মির্জা আনিছ আহমদ চাহাবে জিন্দেগী ওয়াকফে কৰিছিল তেতিয়া হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কৈছিল যে মই জমাতত যি ওয়াকফেৰ তেৰেৰিক আৰম্ভ কৰিছো, এই পৰ্যন্তলৈ তাত তিনিটা দৰখস্ত মোৰ ওচৰলৈ আহিছে। তাৰে এজন হ'ল মোৰ নাতি লৰা মির্জা আনিছ আহমদ, যিজন আজিজম মির্জা নাছেৰ আহমদ চাহাবৰ ডাঙৰ লৰা। আল্লাহ তায়লা তেওঁৰ মনোকামনা পুৰ্ণ কৰাৰ তৌফিক দান কৰক, আৰু আনিছ চাহাবে লিখিছে যে মোৰ ইচ্ছা আছিল মই আইন পঢ়িলৈ জিন্দেগী ওয়াকফে কৰিম কিন্ত এতিয়া আপুনি মোক য'তে ইচ্ছা কামত লগাব পাৰে, মই সাজু আছো।

আল্লাহ তায়লাৰ কৃপাত মৰহুম আনিছ আহমদ চাহাবে জমাতৰ বিভিন্ন বিভাগত খিদমত কৰিবলৈ সৌভাগ্য লাভ কৰিছিল। ৫৬ বছৰ কাল জমাতৰ (খিদমত) সেৱাত লিপ্ত আছিল। সৰ্বপ্ৰথম মৰহুম আনিছ চাহাবে তালিমুল ইছলাম কলেজত অধ্যাপক হিচাপে নিযুক্ত হৈছিল। ১৯৭৫ চনত নায়েব নাজিৰ ইচলাহ ও ইৰশাদ হিচাপে নিযুক্ত হৈছিল। আকৌ এডিশ্বন্যাল নাজিৰ ইচলাহ ও ইৰশাদ নিযুক্ত হয়। তাৰ পিছত হজৰত খলিফাতুল মছিহ ছালিছৰ প্ৰাইভেট চেক্ৰেটাৰী হিচাপে কাম কৰিছিল। জামে আহমদীয়াৰ এডমিনিষ্ট্ৰেটৰ হিচাপে সেৱা আগবঢ়োৱাৰও সৌভাগ্য লাভ কৰিছিল তেখেতে। মৰহুম আনিছ চাহাবে কেইবছৰমান নাজিৰে তালিম হিচাপেও দায়িত্ব পালন কৰিছিল। নায়েব নাজিৰ দিৱান, তেহেৰিকে জাদিদত অকিল তচনিফৰ কাম চলাইছিল। ১৯৯৭ চনত তেখেতে অৱসৰ লৈছিল যদিও শেষ নিশ্বাস ত্যাগ কৰা লৈকে খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। খুদ্দামুল আহমদীয়া ,আনছাৰ উল্লাহ,মৰকজিয়াত খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। বৰাহিনে আহমদীয়া আৰু মেহমুদ কি আমিনৰ ইংৰাজী অনুবাদ সম্পাদন কৰিছিল। সেয়া ছপা হৈ ওলাইছে। বৰ্তমানে তেখেতে ছুৰমায়ে চশমা আঁৰিয়া,ইজালায়ে আওহাম, আৰু দুৰ-ৰে ছমিনৰ ইংলিচ তৰজমাৰ সংশোধনী কৰি আছিল। নাছেৰ ফাউণ্ডেশ্বনৰ অধীনত আমাৰ যিবোৰ স্কুল চলোৱা হৈছিল,মৰহুম সেইবোৰৰ চিয়াৰমেন আছিল। মজলিচ আফতাআৰ সদস্যও আছিল। নুৰ ফাউণ্ডেশ্বন বোৰ্ডৰ সদস্যও আছিল। নুৰ ফাউণ্ডেশ্বন প্ৰতিষ্ঠা কৰাৰ

উদ্দেশ্য আছিল যাতে হদীছৰ কিতাপ সমুহ জমাতৰ হৈ ছপা কৰি উলিওৱা হয় আৰু তৰজমা কৰা হয়। এতিয়া মছ্নদ আহমদ বিন হাম্বলৰ তৰজমা কৰা হৈ আছে।

তেখেতৰ জোৱাই মির্জা উৱাহেদ আহমদ চাহাবে লিখিছে যে মই এবাৰ বুখাৰা আৰু ছমৰ কন্দলৈ ভ্রমনত ওলাইছিলো তেতিয়া মির্জা আনিছ আহমদ চাহাবে মোক কৈছিল যে তুমি তালৈ গৈ আছা গতিকে ইমাম বুখাৰী কবৰ জিয়াৰতলৈ যাবা আৰু মোৰ ফালৰ পৰা ছালাম জনাবা আৰু দোৱা কৰিবা। যিজনে আঁহজৰত (ছাঃ) ৰ বাণী আৰু ঘটনা সমুহ গোটাই মিলাই আমালোকলৈ থৈ গৈছে। তেখেতৰ আমাৰ ওপৰত অধিকাৰ আছে যে আমি তেখেতৰ নিমিত্তে দোৱা কৰো আৰু ছালাম জনাওঁ।

ডক্টৰ নুৰী চাহাবে লিখিছে যে যি কামৰ দায়িত্ব তেওঁক দিয়া হৈছিল বৰ মনযোগেৰে সেয়া পালন কৰিছিল। অতিকৈ পৰিশ্রম মনযোগ,নিষ্ঠাৰ সৈতে সদায় নিজৰ কাম সম্পুর্ণ কৰিছিল। দুর্বল আৰু বেমাৰ হোৱা সত্ত্বেও লেপটপত হজৰত মছিহ মাওউদ (আঃ) ৰ কিতাপ তৰজমা কৰোঁতে দেখিছো। তেখেত সদায় কৈছিল যে মোৰ ইচ্ছা কেৱল ইখিনি যে যিটো কাম খলিফা ওয়াক্তে মোৰ ওপৰত ন্যাস্ত কৰে, আল্লাহৰ কৃপাত সেয়া মই সুচাৰু ৰূপে পালন কৰো। হজৰত মছিহ মাওউদ (আঃ) আৰু খলিফা সকলৰ ঘটনা তেখেতে এনেকুৱা আগ্রহ আৰু স্পষ্ট ৰচনা শৈলীৰে বর্ণনা কৰিছিল যে পাঠক,আৰু শ্রোতা সকলৰ মন মোহি লৈছিল আৰু যেতিয়া তেখেতে নিজ মুখেৰে ভাষণ আকাৰে শুনাইছিল তেখেতৰ চকুলো নিগৰি আহিছিল আৰু কথাৰ সময়ত কন্ঠ গধুৰ হৈ গৈছিল। সকলো ধৰণৰ সমস্যাৰ মাজত তেখেতে সদায় ধৈর্য্য আৰু দক্ষতা প্রদর্শন কৰিছিল। সাহসেৰে সৈতে সকলো অভাৱ-অনাটন সহ্য কৰিছিল। নিজৰ বেমাৰীৰ কাৰণে চাহৰ কাপ হাতেৰে উঠাই লব নোৱাৰিছিল, ইকাতি,সিকাতিলৈ বাগৰ সলাব নোৱাৰিছিল তথাপিও নিজৰ কাম চলাই গৈছিল আৰু প্রাণ-পণে নিজৰ দায়িত্ব পালনত ব্রতী আছিল। কেতিয়াও কাকো অভিযোগ উঠোৱাৰ সুবিধা দিয়া নাছিল আৰু আল্লাহৰ সন্তোষ্টিত নিজে সন্তুষ্ট থাকিছিল।

মীৰ দাউদ আহমদ চাহাব মৰহুমৰ জীয়েক নুদৰত চাহিবায় কয় যে মোৰ ছোৱালী জনীৰ বিয়াৰ সময়ত মই ৰন্ধা শাললৈ চেক কৰাৰ বাবে গৈ দেখো যে তাত আনিছ ভাইজান আগৰে পৰাই বহি আছে আৰু কান্দি আছে। মই আচঁৰিত হৈ পৰিছিলো যে তেওঁ ইমান সোনকালে ইয়ালৈ কিয় আহিছে। মোক দেখি তেওঁ কৈছিল যে আজি তোমাৰ দেউতাকৰ কথা মোৰ বাৰুকৈয়ে মনত পৰি আছে। সেয়ে মই ইয়াত আহি তোমালোকৰ বাবে দোৱা কৰি আছিলো। মৰহুম আনিছৰ ভাগিনে লিখিছে যে তেখেত সুখ-দুখত এজন মৰমীয়াল দেউতাকৰ দৰে আমাৰ মাজত উপস্থিত থাকিছিল। সকলো ঘৰতেই মনো-মালিন্যৰ সুত্রপাত ঘটে কিন্তু সেইবোৰ তেখেতে এনেদৰে মিলাই দিছিল যে যেনিবা কেতিয়াও একো হোৱাহি নাই। বৰং তেখেতে এনেকুৱা অনুমান কৰিছিল যে মোৰ নচিহতত কোনোবাই মনত-কষ্ট পালেনেকি সেয়ে নিজেও ক্ষমা খুজিছিল। মনিৰ উদ্দিন শ্বামছ (এডিশ্বন্যাল অকিল তচনিফ) চাহাবে কয় যে মৰহুম আনিছ চাহাবক সদায় এজন সহানুভুতিশীল সু-হৃদয়ৰ মানুহ হিচাপে পাইছো। তেখেতে সদায় কৈছিল যে বেছি বেছি কাম দিয়ক যাতে অসুখত বেছিকৈ কাম কৰিব পাৰো। খিলাফতৰ সৈতে অফুৰন্ত একাগ্রতা আৰু আনুগত্যৰ সম্পর্ক ৰাখিছিল। হজৰত মছিহ মাওউদ (আঃ) ৰ কিছুমান কিতাপ ইংৰাজীত তৰজমা কৰাৰ ক্ষেত্রত মৰহুম আনিছ চাহাবে এক গণিব লগীয়া সেৱা আগবঢ়াই থৈ গৈছে। মুঠতে তেখেত এজন বিদ্যান আৰু গভীৰ জ্ঞানৰ অধিকাৰী লোক আছিল। তাৰ পৰা জমাত আজি বঞ্চিত হ'ল। আল্লাহ তায়লা আৰু বেছি বেছি উলামাৰ জন্ম দিয়ক। প্রত্যেকেই লিখিছে যে মৰহুমে মোবাল্লেগিন সকলক বৰ সন্মান দিছিল আৰু জ্ঞান চর্চাত সহায় আগবঢ়াইছিল।

হাফিজ মুজাফৰ আহমদ চাহাবে কৈছে যে মিয়া চাহাব অগনন গুণাৱলীৰ গৰাকী আছিল। খোদা ভীৰু, কোৰ-আন প্রেমী, ৰছুল প্রেমী, সহজ সৰল, দয়ালু আৰু মৰমীয়াল লোক আছিল তেওঁ। হকুকু আল্লাহ লগতে হকুকুল ইবাদৰও লক্ষ্য ৰাখিছিল। দৰিদ্র মিচকিন সকলৰ প্রতি বৰ দয়ালু আছিল। কোনো অভাৱীক শুণ্য হাতে ঘুৰাই পঠোৱা নাছিল। এজন জ্ঞানী লোক আছিল আৰু জ্ঞান অর্জনৰ বিশেষ আগ্রহও আছিল তেখেতৰ আৰু ইয়াৰ বাবে তেখেতে বহুত পৰিশ্রম আৰু জিহাদ কৰিছিল। প্রথম বাৰ হজৰত মছিহ মাওউদ (আঃ) ৰ কিতাপ ১৫, ১৬ বছৰ বয়সতে পঢ়ি শেষ কৰিছিল।

হদীছৰ কিতাপ সমুহ বহু মুল্যবান সম্পদ অসংখ্য পৰিমানে নিজৰ লাইব্ৰেৰীত জমা কৰিছিল। যাৰ মাজত উপকৃত হ'ব পৰা কিতাপ ৰৈ আছে। সেয়ে তেখেতৰ লাইব্ৰেৰী এটা দৃষ্টান্ত স্বৰূপ হৈছে। হদীছৰ জ্ঞান অৰ্জন কৰাটো তাৰ ওচৰত বৰকৈ প্ৰিয় আছিল। উক্ত লাইব্ৰেৰীত কিছুমান বিদ্যান লোকৰ টোকা আৰু হদীছ জনাৰ জ্ঞানোদয় কিতাপ তেখেতে জমা কৰিছিল। হদীছৰ প্ৰতি তেখেতৰ যে অঘাত প্ৰেম আছিল তাৰ সুন্দৰতম দৃশ্য ৰমজান মাহত দৰছুল হদীছৰ মাজেৰে প্ৰকাশ পাইছিল। তেখেতে বৰ নিবিষ্ট মনেৰে ৰছুলুল্লাহ (ছাঃ) ৰ বিভিন্ন ঘটনা সন্দৰ্ভত থকা হদীছৰ দৰছ দিছিল। পিছত সেইবোৰৰ মূল ভাৱ সমুহ বুজাই দিছিল। বছৰেকীয়া জলছা ৰাৱওয়াত মৰহুম আনিছ চাহাবে কেইবা বছৰেই ভাষণ প্ৰদানৰ সৌভাগ্য লাভ কৰিছিল।

ডক্টৰ ইপ্তিখাৰ চাহাব লণ্ডনৰ পৰা লিখিছে যে তেখেত প্ৰকৃত পক্ষেই ওয়াকফে জিন্দেগী আছিল। কেতিয়াও অফিচ ক্ষতি কৰা নাছিল। ইশায়েত আৰু তৰজমাৰ কামত শেষ নিশ্বাস লৈকে লিপ্ত আছিল। খুব ব্যস্ততাৰ সৈতে তৰজমাৰ কাম কৰিছিল আৰু বিষয় সমুহৰ বিশ্লেষণ বিচাৰি মাজে সময়ে কেইবাদিন লগাই দিছিল। তেখেতৰ আনুগত্যৰ বহুত উন্নত আছিল।

খালিদ চাহাব (ৰাচিয়ান ডেস্ক) লিখিছে যে মিয়া চাহাবৰ ব্যক্তিত্ব যেতিয়া মোৰ মনলৈ আহে তেতিয়া এনেকুৱা লাগে যে তেখেতৰ সত্তা আঁহজৰত (ছাঃ) ৰ হদীছ মোবাৰকৰ "আত্তালিবুল ইলমু মিনাল মাহদী ইলাল হাদীৰ"প্ৰকৃত আৰু কাৰ্যকৰী মুৰ্ত্ত প্ৰতীক। মিয়া চাহাবৰ বিভিন্ন শিক্ষা অৰ্জনৰ প্ৰতি অসীম ধাউতি আছিল। কিছুমান নতুন বস্তু জানিবলৈ কেতিয়াও সুবিধা হাতৰ পৰা যাব দিয়া নাছিল। হদীছ ৰছুল (ছাঃ) আৰু হদীছৰ শিক্ষা লাভ কৰা তেখেতৰ বৰ প্ৰিয় বিষয় আছিল। শ্বমসাদ চাহাব মোৱাল্লিগ (আমেৰিকা) লিখিছে যে মুৰুব্বী সকলৰ লগত মিটিং অনুষ্ঠিত হলে, তেওঁলোকৰ মাজত তবলিগৰ উদ্দীপনা জগোৱাৰ বহুত চেষ্টা কৰিছিল । অধ্যায়নৰ প্ৰতি বৰ আগ্ৰহ আছিল আৰু মুৰুব্বী সকলক নতুন বস্তু জানিবলৈ আৰু অধ্যায়ন কৰিবলৈ বাৰে বাৰে কৈছিল আৰু নিজেও সদায় নিজৰ কাৰ্যলয়ত কিতাপ সজাই ৰাখিছিল। বেছি বেছিকৈ বুখাৰী শ্বৰীফ পঢ়িছিল। তেখেতৰ লগত কিতাপ সাক্ষাৎ কৰা মুৰব্বী সকলৰ লগত জ্ঞান গৰ্ভ আলোচনা কৰিছিল।

শ্বাহিদ মেহমুদ চাহাব মোবাল্লিগ (ঘানা) লিখিছে যে হজৰত মছিহ মাওউদ (আঃ) ৰ প্ৰতি প্ৰেম আৰু খিলাফতৰ প্ৰতি ভালপোৱা, আৰু আনুগত্য তেখেতৰ হৃদয় পূৰ আছিল। হজৰত মছিহ মাওউদ (আঃ)ৰ নাম লওঁতেই মাজে সময়ে মৰহুমৰ চকুলো বৈ গৈছিল। আকৌ শ্বেইখ নছিৰ চাহাব (কৰ্মী ৰাচিয়ান ডেস্ক) কৈছে যে মিয়া চাহাবৰ সৈতে ১৬ বছৰ কাল উকালতে ইশায়েতত কটাইছো আৰু তেখেতৰ পৰা বহুত কিবা কিবি শিকিছিলো । সদায় এজন প্ৰিয় বন্ধুৰ দৰে তেখেতক মই পাইছিলো। তেখেতে মোক কেতিয়াও তলতীয়া কৰ্মী হোৱাটো উপলব্ধি কৰিবলৈ দিয়া নাছিল। যদি মই কেতিয়াবা ভাৱিছিলো যে মোৰ মা-দেউতা ইহঁজগতত নাই তেন্তে তেখেতে মোক বুজাইছিল যে তুমি মোক তোমাৰ দেউতাকৰ ঠাইত বুলি ভাৱি লোৱা।

মহম্মদ উদ্দিন ভট্টি চাহাব (কাৰ্কুন ইশায়েত) কৈছে যে মৰহুম মিয়া চাহাব কৰ্মী সকলৰ লগত সদায় বিনয়ী আছিল। যেতিয়াই কোনো কাম সংক্ৰান্ত নিজৰ ওচৰলৈ মাতি নিছিল,তেতিয়াই কৈছিল চিয়াৰত বহি লোৱা আৰু বিষয়টো ভাঙি পাতি কৈছিল। কেতিয়াবা তেখেতে কোনো কৰ্মীৰ প্ৰতি অসন্তুষ্টি প্ৰকাশ কৰিলে ক্ষণিক পিছতেই বন্ধু সুলভ আচৰণ প্ৰদৰ্শন কৰিছিল। ইমানেই যে মাজে সময়ে ক্ষমা বিছাৰি লৈছিল। আকৌ এহেছান উল্লাহ চাহাব মুৰুব্বী ছিলছিলা (ঘানা) কৈছে যে মৰহুম আনিছ চাহাবৰ পৰিচালনাত ৯ বছৰ কাল উকালতে ইশায়েতত কাম কৰিছো। তেখেত খিলাফত প্ৰেমী আৰু আনুগত্যৰ মুৰ্ত্ত প্ৰতীক আছিল। এবাৰ মোক কৈছিল যে হুযুৰ (আইঃ) লৈ এটা ফেক্স লিখি আছো এয়া এতিয়াই পঠাব লাগিব। আকৌ লিখিবলৈ আৰম্ভ কৰিছিল আৰু হজৰত খলিফাতুল মছিহ আল খামিছ (আইঃ) এই শব্দ কেইটা লিখি প্ৰেম আপ্লুত ভাৱেৰে কেই মিনিট সময় নয়ন যুগল শব্দ কেইটাৰ ওপৰত নিথৰ হৈ ৰৈ আছিল।

আচফ আৰেচ চাহাব মুৰুব্বী ছিলছিলা উকালতে ইশায়েত লিখিছে যে কেইমাহ মান আগত মোক উকালতে ইশায়েতত নিযুক্তি দিয়া হৈছে। এই কেইটা মাহ মোৰ জীৱণৰ স্মৰণীয় দিন। সকলো ক্ষেত্ৰত মিয়া চাহাবে বন্ধুত্ব সুলভ আচৰণেৰে মোৰ লক্ষ্য ৰাখিছিল। তেখেতৰ বয়স আৰু মোৰ বয়সৰ ব্যৱধান আছিল প্ৰায় ৫৫ বছৰ । কিন্তু তেখেতৰ

আচৰণত এনে ভাৱ হৈছিল যেনিবা আমাৰ মাজত কোনো পাৰ্থক্যৰ নামেই নাই। সুন্দৰ কথা বতৰা পাতিছিলো, পৰিবেশটো ভালে ৰাখিবলৈ মাজে কৌতুক পূৰ্ণ কথা বতৰাও হৈছিল। তেখেতৰ তৰজমা কৃত মছনদ আহমদ বিন হাম্বল মোৰ দায়িত্বত আছিল। ইমান বয়সত অসুখ থকা অৱস্থাতো কাম চলাই যাবলৈ সাহস হেৰুৱা নাছিল। উদাসীনতা আৰু কাম পূৰ্ণ নোহোৱাৰ চিন্তা তেখেতৰ কাষ চাপিব পৰা নাছিল। জামিয়া আহমদীয়া ৰাৱওয়াৰ এজন ছাত্ৰ আলিম মহম্মদ কাশিফে কয় যে মই খোলফায়ে আহমদীয়তৰ প্ৰাইভেট চেক্ৰেটাৰী বিলাকৰ বিষয়ে আলোচনা লৈ কেইমাহ ধৰি মৰহুম আনিছ চাহাবৰ ওচৰলৈ কেইবাবাৰ গৈছিলো। আলহামদু লিল্লাহ ! তেখেতে মোক অতি চেনেহৰে তেখেতৰ মুল্যবান সময় মোলৈ চাৰ্ভ কৰিছিল। নৰিয়া অৱস্থাতো বিতং তথ্য মোক জনাইছিল। এবাৰ বৰ করুন কন্ঠ-স্বৰত কবলৈ লৈছিল যে মানুহৰ চেষ্টা আৰু পৰিশ্ৰম একোৱে নহয়। এয়াই হ'ল মোৰ জীৱণৰ লক্ষ্য। যি আছে সেয়া সকলো আল্লাহৰ কৃপা আৰু খিলাফতৰ কল্যাণ মাত্ৰ। আকৌ ৰাৱওয়াৰ পৰা আচিফ আহমদ জাফৰ কৈছে যে মৃত্যুৰ কিছুদিন আগত মৰহুম আনিছ চাহাব তাহিৰ হাৰ্ট ইনষ্টিটিউটত ভৰ্ত্তি হৈছিল। মই তেখেতক সাক্ষাৎ কৰিবলৈ গৈছিলো। অসুখৰ তীব্ৰতা সত্বেও নিজেই নিজৰ মাস্ক খুলি কথা পাতিছিল। তেতিয়া মই কৈছিলো যে মিয়া চাহাব আল্লাহ তায়লাৰ নিশ্চয় কৃপা। তেওঁ কয় যে মৰহুম আনিছ চাহাবৰ উক্ত শব্দবোৰ শুনি মই বৰ আচঁৰিত হৈছিলো যে এনেকুৱা অৱস্থাতো আল্লাহ তায়লাৰ ওপৰত ভৰষা অটুট আছে আৰু মৃত্যু লৈ কোনো চিন্তা নাই।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে মৰহুম আনিছ চাহাব খিলাফতৰ সৈতে প্ৰগাঢ় সম্পৰ্ক ৰাখিছিল। তেখেত নিজৰ সকলো আমল আৰু কৰ্তব্য পৰায়নতাৰে এই সম্পৰ্কৰ প্ৰমাণ দি থৈ গৈছে। যেতিয়া খলিফাতুল মছিহ ৰাৱে (ৰহঃ) স্থানীয় আমিৰ আৰু নাজিৰ আলা নিযুক্ত কৰিছিল, তেতিয়াও মৰহুম আনিছ চাহাবে খিলাফতৰ আনুগত্য অনুযায়ী আমিৰৰ ইতায়েত কৰিছিল আৰু সন্মান দিছিল। মই মৰহুম আনিছ চাহাবতকৈ বয়সত ১৩-১৪ বছৰৰ সৰু হোৱা সত্বেও তেখেত পূৰ্ণ ইতায়েত কৰিছিল আৰু সদায় বিশ্বাসত চানেকি দেখুৱাইছিল। খিলাফতৰ পিছতো পূৰ্ণ আনুগত্য প্ৰদৰ্শন কৰিছিল।

আল্লাহ তায়লা তেখেতৰ সৈতে ক্ষমাৰ আচৰণ প্ৰদৰ্শন কৰক। আল্লাহ তায়লাৰ কৃপা লাভাৰ্থে যি তেখেতে প্ৰকাশ কৰিছে আল্লাহ তায়লা তেখেতৰ ইচ্ছা পূৰ্ণ কৰক। আল্লাহৰ ভালপোৱা স্থানত তেখেতক ঠাই দিয়ক। তেখেতৰ সতি সন্তানক খিলাফতৰ সৈতে সম্পৰ্ক অটুট ৰখাৰ তৌফিক দান কৰক। যেতিয়া মকৰম মিৰ্জা গোলাম আহমদ চাহাবৰ মৃত্যু হৈছিল তেতিয়া তেখেতে সপোনত দেখিছিল যে যেতিয়া মিয়া চাহাবৰ মৃত্যু হৈছিল,প্ৰায় সেই সময়তে মই এটা সপোন দেখিছিলো। দেখিছিলো যে ভাই খুৰশিদ আৰু মিয়া আহমদ আল্লাহ তায়লাৰ কাষলৈ গুচি গৈছে আৰু তেখেতে আঁহজৰত (ছাঃ) আৰু হজৰত মছিহ মাওউদ (আঃ) ৰ লগত সাক্ষাৎ কৰি আছে। তেতিয়া মোৰ মনত এনেকুৱা ইচ্ছা হৈছিল যে আল্লাহ তায়লা যেন কৰে মইও যেন এনেদৰে সাক্ষাৎ কৰিব পাৰো। গতিকে মই আবেদন কৰিছিলো যে হে আল্লাহ মোকও তোমাৰ ওচৰলৈ লৈ যোৱা তেতিয়া আকৌ আল্লাহ তায়লা কৈছিল যে তুমি আগলৈ আহি যোৱা। এনেদৰে আল্লাহ তায়লা তেখেতক নিজৰ সান্নিধ্য দান কৰিছে। আল্লাহ তায়লা তেখেতৰ মৰ্যদা উন্নীত কৰক আৰু তেখেতৰ সতি-সন্তানও নেক আৰু সজ হওঁক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwa 21 Dec 2018**

**(BOOK POST PRINTED MATTER)**

**To**

-----------------------------------------------------------------------

-----------------------------------------------------------------------

-----------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844